Total No. of printed pages = 11

ROYAL SCHOOL OF COMMERCE GUWAHATI

**4 (Sem 3) COLW**

**2015**

**CORPORATE LAW**

Paper : 305

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

Answer either in English or in Assamese.
ইংৰাজী অথবা অসমীয়াত উত্তৰ কৰিবা।

1. (A) Choose the appropriate answer from the given options in respect of the following : 1×5=5

তলত উল্লেখিত বিকল্পসমূহৰ পৰা উপযুক্ত উত্তৰটো বাছি উলিওৱা ঃ

(i) The benefits under which of the following doctrine is not available to the company when the knowledge of irregularity in company contract becomes conspicuous.

কোম্পানি চুক্তিত অনিয়মিত কাৰ্যৰ লেনদেন লক্ষ্যণীয় হৈ পৰিলে কোম্পানিয়ে কোনটো নীতিৰ অধীনত লাভ কৰিব লগীয়া ফল হেৰুৱাৰ।

[Turn over

(a) Doctrine of Ultra Vires

ক্ষমতা বহিৰ্ভূত কাৰ্যৰ নীতি

(b) Doctrine of Caveat Emptor

ক্ৰেতা সাবধান নীতি

(c) Doctrine of Constructive Notice

সুচিন্তিত লক্ষ্যৰ নীতি

(d) Doctrine of Indoor Management.

অভ্যন্তৰীণ পৰিচালনাৰ নীতি।

(ii) The preferred pricing mechanism under book building of shared closely resembles to :

অংশ মূল্য বৃদ্ধিকৰণৰ গ্ৰহণীয় পন্থা অনুসাৰে মূল্য নিৰ্ধাৰণৰ নীতি হিচাবে নিম্নোক্ত কোনটো নীতিৰ লগত সামঞ্জস্য থকা দেখা যায় ঃ

(a) Market value based pricing

বজাৰ মূল্য ভিত্তিক মূল্য নিৰ্ধাৰণ নীতি

(b) Net asset value based pricing

প্ৰকৃত সম্পদৰ মূল্য ভিত্তিক মূল্য নিৰ্ধাৰণ নীতি



(c) Reference pricing

উদ্ধৃত মূল্য নিৰ্ধাৰণ নীতি

(d) Bid pricing.

নিলামত ডাক দিয়া মূল্য নিৰ্ধাৰণ নীতি।

(iii) What is the maximum number of directors a public limited company may have in its Board of Directors ?

এটা ৰাজহুৱা কোম্পানিয়ে সৰ্বোচ্চ কেইজন সঞ্চালকক সঞ্চালকমণ্ডলীত একে সময়তে অন্তৰ্ভুক্ত কৰিব পাৰে?

(a) 5 (b) 7 (c) 12 (d) 15

(iv) What is the maximum number of months that a company gets for holding first Annual General Meeting after the date of incorporation ?

প্ৰথমখন বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত কৰিবলৈ কোম্পানি এটাই সৰ্বোচ্চ কিমান মাহৰ সময়সীমা লাভ কৰে ?

(a) 12 months

12 মাহ

(b) 15 months

15 মাহ

(c) 18 months

18 মাহ

(d) 20 months

20 মাহ

(v) Which one of the following documents cannot be electronically filed by a company with the Registrar of Companies as per directive of Ministry of Company Affairs, Government of India ?

ভাৰত চৰকাৰৰ কোম্পানি কাৰ্যসমূহৰ মন্ত্ৰী দপ্তৰে জাৰি কৰা নিৰ্দেশ অনুসাৰে নিম্নোক্ত কোনখন দলিল ইলেক্ট্ৰনিক প্ৰক্ৰিয়াৰে কোম্পানি পঞ্জীয়কৰ ওচৰত দাখিল কৰিব নোৱাৰি ?

(a) Issue of certified copies

প্ৰমাণ পত্ৰৰ দলিলসমূহৰ বিলিকৰণ

(b) Filing of annual return and balance sheet

বাৰ্ষিক প্ৰতিবেদন আৰু উদ্বৃত্ত পত্ৰব দাখিলকৰণ

(c) Winding up procedure

অৱসায়নৰ প্ৰক্ৰিয়া

(d) Registration of charges.

দায়সমূহৰ পঞ্জীয়ন ।



(B) State whether the following statements are correct or not : 1×5=5

নিম্নোক্ত বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ নিৰ্ধাৰণ কৰা ঃ

(i) Under Indian Companies Act the position of 'Managing Director' is at par with the position of a 'Manager'.

ভাৰতীয় কোম্পানি আইনৰ অধীনত পৰিচালনা সঞ্চালকৰ স্থান পৰিচালকৰ স্থানৰ সমতুল্য।

(ii) Although an artificial person, the company has all the rights of a natural person.

যদিও এটা কোম্পানিক কৃত্ৰিম ব্যক্তি হিচাবে গণ্য কৰা হয়, তথাপিও স্বাভাৱিক ব্যক্তিয়ে লাভ কৰা সকলো অধিকাৰ কোম্পানিয়ে লাভ কৰে।

(iii) Mere shareholdership is enough for voting in company general meeting.

কোম্পানিৰ বাৰ্ষিক সভাত ভোটাধিকাৰ পাবলৈ অংশপত্ৰ ধাৰক হোৱাটোৱেই যথেষ্ট।

(iv) Minutes of a company general meeting is always signed by the Secretary of the company.

সাধাৰণ সভাৰ কাৰ্যবিৱৰণীত সদায় কোম্পানিৰ সচিবে সাক্ষৰ কৰে।

(v) A promoter of a company can never become a director.

কোম্পানি এটাৰ প্ৰবৰ্ত্তকজন সঞ্চালক হ'ব নোৱাৰে।

2. Answer the following briefly : 2×5=10

চমুকৈ উত্তৰ লিখা ঃ

(a) State the meaning of the Doctrine of Ultra Vires in the context of object clause of memorandum.

স্মাৰকলিপিৰ উদ্দেশ্য দফাৰ প্ৰসঙ্গত ক্ষমতা বহিৰ্ভূত নীতিৰ অৰ্থ ব্যাখ্যা কৰা।

(b) State the meaning of the term 'Red Herring Prospectus'.

ৰেড হেৰিং অনুষ্ঠান পত্ৰৰ অৰ্থ লিখা।

(c) Name a type of company where there may not be a shareholder and also state the other position that can be seen in such companies in lieu of a shareholder.

অংশীদাৰ নথকা এক ধৰণৰ কোম্পানিৰ নাম উল্লেখ কৰা আৰু তেনে কোম্পানিত অংশীদাৰৰ পৰিবৰ্তে স্থান অধিকাৰ কৰা লোকজনক কি বুলি জনা যায় লিখা।



(d) Name the person / persons who may apply to the Company Law Tribunal against oppression and mismanagement in a company.

কোম্পানি এটাৰ শোষণ আৰু কুপৰিচালনাৰ বিৰুদ্ধে কোম্পানি আইন ট্ৰাইবুনেলত আবেদন কৰিব পৰা লোকসমূহৰ উল্লেখ কৰা।

(e) Who can convene the extraordinary general meeting of a company ?

কোম্পানি এটাৰ অসাধাৰণ সাধাৰণ সভা আহ্বান কোনে কৰিব পাৰে লিখা।

3. Write brief answers to the following : 4×5=20

নিম্নোক্ত প্ৰশ্নসমূহৰ উত্তৰ চমুকৈ লিখা ঃ

(a) State the principal functions of a Company Secretary.

কোম্পানি সচিবৰ মুখ্য কৰ্ত্তব্যসমূহ লিখা।

(b) State the various types of shares which a company may issue to investors.

কোম্পানি এটাই বিনিয়োগকাৰীলৈ কি কি বিভিন্ন ধৰণৰ অংশ বিলি কৰিব পাৰে লিখা।

(c) Discuss the characteristics of a fixed and a floating charge.

নিৰ্দ্দিষ্ট আৰু ভাসমান চাৰ্জৰ বৈশিষ্ট্যসমূহ কি কি লিখা।

(d) State the functions and the powers of a Chairman in a shareholders meeting of a company.

কোম্পানি এটাৰ অংশধাৰকসকলৰ সভাত সভাপতিৰ কাৰ্যাৱলী আৰু ক্ষমতাৰ আলোচনা কৰা।

(e) Discuss the provisions of Companies Act relating to payment of maximum managerial remuneration.

কোম্পানি এটাৰ পৰিচালকসকলক প্ৰদান কৰা সৰ্বোচ্চ মজুৰিৰ সম্পৰ্কে কোম্পানি আইনত উল্লিখিত ব্যৱস্থাৱলী লিখা।

4. Explain the necessity of setting out clearly the objects in the Memorandum. By what method and within what scope may the object clause be altered ? To what extent a company can undertake business activity not expressly set out in the object clause ? 4+4+2=10

স্মাৰকলিপিত উদ্দেশ্যসমূহৰ স্পষ্ট উল্লেখ কৰাৰ প্ৰয়োজনীয়তা লিখা। কি পদ্ধতিত আৰু কিমান সীমাবদ্ধতাৰ ভিতৰত কোম্পানিৰ উদ্দেশ্য দফা সালসলনি কৰিব পাৰি ? কোম্পানিয়ে উদ্দেশ্য দফাত অনা-উল্লেখিত ব্যৱসায়িক কাৰ্য কিমান দূৰ সম্পাদন কৰিব পাৰে লিখা।



Or/অথবা

State the documents to be filed with the Registrar at the time of incorporation of a company. Also state the legal consequences of pre-incorporation contract. 5+5=10

কোম্পানি এটাৰ নিগমবদ্ধকৰণৰ সময়ত পঞ্জীয়কৰ ওচৰত কি কি প্ৰামাণিক দলিল দাখিল কৰিব লাগে লিখা। লগতে প্ৰাক-নিগমকৰণ প্ৰক্ৰিয়াত সম্পাদিত চুক্তিসমূহৰ আইনগত স্থিতি ব্যাখ্যা কৰা।

5. What is the statutory limitation to the borrowing powers of Directors of a company ? Also state the remedies available to debenture holders for realisation of their security. 5+5=10

কোম্পানি এটাৰ সঞ্চালকৰ ঋণ গ্ৰহণ ক্ষমতা কোম্পানি আইনে বিধিসম্মত ভাৱে কিদৰে নিৰ্ধাৰণ কৰিছে লিখা। লগতে ঋণাংশৰ ধাৰকসকলৰ নিজ প্ৰত্যাভূতি আহৰণ কৰিবলৈ কি প্ৰতিকাৰ আছে লিখা।

Or/অথবা

State the civil and criminal liabilities of a director for mis-statement in prospectus. Also state the significance of underwriting contract in the issuance of shares. 5+5–10

অনুষ্ঠান পত্ৰত মিছা বিবৃতি দিয়াৰ বাবে সঞ্চালকে কেনে ধৰণৰ দেৱানী আৰু ফৌজদাৰী দায়িত্বত আবদ্ধ হব লিখা। লগতে অংশ বিলিকৰণৰ ক্ষেত্ৰত অৱলেখন চুক্তিৰ গুৰুত্ব কি লিখা।

6. (a) Distinguish between issue of "rights shares" and issue of "sweat equity shares".

"অধিকাৰৰ অংশ" আৰু "চুৱেট সাধাৰণ অংশৰ" বিলিকৰণৰ পাৰ্থক্য লিখা।

(b) Explain the provision of Companies Act relating to buy-back of shares by a company. 5+5=10

কোম্পানি আইনৰ অধীনত কোম্পানি এটাই দ্বাৰা অংশপত্ৰ পুনৰায় ক্ৰয় কৰাৰ চৰ্ত ব্যাখ্যা কৰা।

Or/অথবা

"Directors are not only agents but also in some sense trustees of the company." Comment. Also state the definition of an independent director as per Companies Act, 2013. 5+5=10

"সঞ্চালকসকল কেৱল প্ৰতিনিধিয়েই নহয়, কিছু অৰ্থত কোম্পানিটোৰ ন্যাসৰক্ষীও।" মন্তব্য দিয়া। লগতে কোম্পানি আইন 2013 অনুসাৰে এজন স্বতন্ত্ৰ সঞ্চালকৰ সংজ্ঞা দিয়া।



7. How is the Quorum for an annual general meeting of a company fixed ? Also discuss the procedure of a meeting in absence of Quorum. Is a proxy counted in number for fixing up Quorum ? 5+3+2=10

কোম্পানি এটাৰ বাৰ্ষিক সাধাৰণ সভাৰ থূল কিদৰে নিৰ্ধাৰণ কৰা হয় লিখা। লগতে থূলৰ অভাৱ হলে সভাত কি উপায় নিৰ্ণয় কৰা হয় লিখা। প্ৰতিনিধি সদস্য এজনৰ থূল নিৰ্ধাৰণৰ সংখ্যাত অন্তৰ্ভুক্ত কৰিব পাৰিনে লিখা।

Or/অথবা

Discuss the procedure of appointing a Managing Director to a company under the Companies Act. Also state the number of companies in which a person can become a Director and a Managing Director at the same time. 7+3=10

ভাৰতীয় কোম্পানি আইনৰ অধীনত কোম্পানি এটাৰ পৰিচালনা সঞ্চালক নিয়োগৰ প্ৰক্ৰিয়া আলোচনা কৰা। লগতে এজন লোকে একে সময়তে কিমান সংখ্যক কোম্পানিৰ সঞ্চালক আৰু পৰিচালনা সঞ্চালক হব পাৰে লিখা।